# সম্পাদকৰ একলম

'অধ্যাপনা আৰু গৱেষণা- দুয়োটা মই খুব ভাল পাওঁ। কিয়নো এই কাম বাৰে বাৰে কৰিও মই অৱসাদ অনুভৱ নকৰো, শৈক্ষিক জীৱন মোৰ চিন্তা-ভাৱনাৰ মৰ্মস্থল, মোৰ উদ্ভাৱন। দেশৰ তৰুণ-তৰুণী আৰু তেওঁলোকৰ শিক্ষাগুৰু সকলৰ সৈতে হোৱা ভাৱৰ আদান-প্ৰদান মোৰ অন্তৰাত্মাৰ আহাৰ। মোৰ বিশ্বাস পৃথিৱীত এনে কোনো বৃত্তি নাই যিটো শিক্ষকতাতকৈ সমাজৰ বাবে বেছি মহত্ত্বপূৰ্ণ।" ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, মিছাইল মেন এ.পি.জে আব্দুল কালামে শিক্ষা, শিক্ষক, গৱেষণা আৰু শিক্ষা ব্যৱস্থাৰ সম্পৰ্কত কৰা এই মন্তব্যই প্ৰতিফলিত কৰে যে শিক্ষক এজনৰ প্ৰকৃত দায়িত্ব বা দায়বদ্ধতা কি? শিক্ষাৰ্থীক জ্ঞান প্ৰদান কৰি তেওঁলোকৰ আশা-আকাঙ্খা আৰু স্বপ্নবোৰক বাস্তৱত ৰূপায়ন কৰিবলৈ অনুপ্ৰানিত কৰা শিক্ষক এজনৰ বাবে কেৱল শ্ৰেণীকোঠাৰ পাঠদানেই নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'বৰ বাবে যথেষ্ট নহয়। ইয়াৰ বাবে নিজৰ সৃজনশীলতা বৃদ্ধিৰ প্ৰয়াসতো জড়িত হ'ব লাগিব। জড়িত হব লাগিব জাতিক উদ্বুদ্ধ কৰা, সমাজক অনুপ্ৰানিত কৰা কৰ্মৰাজিতো। জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শিক্ষক গোটেও নিৰ্দ্ধাৰিত পাঠদান সূচীৰ মাজতে অৱশ্যে জড়িত হৈ আহিছে এনে কিছু চিন্তাকৰ্ষক, সৃজনীশীল প্ৰয়াসত। পাঠদানৰ উপৰিও বিভিন্ন সামাজিক-সাংস্কৃতিক, ক্ৰীড়া আদি ক্ষেত্ৰত প্ৰতিগৰাকী শিক্ষকেই নিজকে জড়িত কৰি আহিছে। শিক্ষক গোটৰ এনে

কৰ্মৰাজিৰ লগতে বিদ্যায়তনিক চৰ্চাৰ ফচল স্বৰূপে ইতিপূৰ্বে প্ৰকাশিত হৈছে 'চিন্তাকল্প' নামৰ এখনি শিক্ষকগোটৰ পত্ৰিকা আৰু 'অসমীয়া সাহিত্য সমাজ আৰু সংস্কৃতিত এভুমুকি' শীৰ্ষক এটি প্ৰৱন্ধ সংকলন। শিক্ষক গোটৰ মজিয়াত পূৰ্বতে কৰা এক পৰিকল্পনাৰ আঁত ধৰিয়েই এইবাৰ "চিন্তা বীথিকা" নামৰ এই প্ৰৱন্ধ সংকলনটি প্ৰস্তুত কৰি উলিওৱা হৈছে। সংকলটিত মূলতঃ সমাজ সংস্কৃতিমূলক বিষয়ত আলোকপাত কৰা হৈছে যদিও ইয়াত আন দুই এক বিষয়ৰো সংযোগ নঘটা নহয়।

সংকলনটিৰ প্ৰথমটো প্ৰৱন্ধ ড° বলীন হাজৰিকাৰ 'গ্ৰহণযোগ্যতাৰ প্ৰসঙ্গত নিয়মিত শিক্ষা আৰু দুৰৱৰ্তী শিক্ষা'ত প্ৰতিফলিত হৈছে এই দুয়োবিধ শিক্ষাৰ কিছুমান মৌলিক তথা অত্যন্ত গুৰুত্বপূৰ্ণ দিশ। শিক্ষা ব্যৱস্থাত দুৰৱৰ্তী শিক্ষাৰ সংযোজন নিশ্চিত ভাৱে এক ইতিবাচক দিশ। নিয়মিত শিক্ষা ল'বলৈ অপাৰগ কিন্তু শিক্ষা গ্ৰহণৰ বাবে ইচ্ছুক সকলক শিক্ষাৰ সুবিধা প্ৰদান কৰাৰ লগতে আন একাধিক দিশৰ পৰা গুৰুত্বপূৰ্ণ শিক্ষা ব্যৱস্থা ৰূপে বিবেচিত হৈছে দুৰৱৰ্তী শিক্ষা। এই গুৰুত্বপূৰ্ণ দিশবোৰকে আলোকপাত কৰা হৈছে ড° হাজৰিকাদেৱৰ প্ৰৱন্ধত।

মহাকবি কালিদাস ভাৰতবৰ্ষৰ সৰ্বকালৰ শ্ৰেষ্ঠ কবি। কবিগৰাকীৰ প্ৰতিখন কাব্যতে প্ৰতিভাত হৈছে সমাজ জীৱনৰ সুন্দৰ প্ৰতিচ্ছবি, ৰাজীৱ শৰ্মাৰ প্ৰৱন্ধ, "কালিদাসকালীন সমাজত শিক্ষা, শিক্ষক, শিক্ষা প্ৰতিষ্ঠান ইত্যাদি"ত কালিদাসৰ কাব্য সমূহৰ মাধ্যমত সেই সময়ৰ শিক্ষা, শিক্ষক আৰু শিক্ষা প্ৰতিষ্ঠান সমুহৰ এটি আলোকপাত কৰা হৈছে। বিশ্বায়নৰ প্ৰভাৱত এতিয়া সকলোতে পৰিৱৰ্তন সম্ভৱ হৈছে। আৰ্থ-সামাজিক, ৰাজনৈতিক দিশৰ পৰা ব্যক্তিগত জীৱনশৈলীলৈকে সকলোতে বিশ্বায়নৰ প্ৰভাৱৰ বিদ্যামান। কুণ্ডিল কুমাৰ মুদৈৰ প্ৰৱন্ধ 'বিশ্বায়নৰ প্ৰভাৱত অসমীয়া মানুহৰ খাদ্যাভ্যাস'ত আলোকপাত কৰা হৈছে কিদৰে বিশ্বায়নৰ প্ৰভাৱত অসমৰ পৰম্পৰাগত খাদ্য-প্ৰণালীলৈ পৰিৱৰ্তন আহিছে। বিশ্বায়নৰ পাকচক্ৰত অসমৰ থলুৱা খাদ্য প্ৰণালীৰ নিজস্বতা হেৰাই যোৱাৰ কথাও প্ৰকাশ কৰিছে প্ৰৱন্ধকাৰে।

অসমৰ সংগীত জগতত থলুৱা বাদ্যযন্ত্ৰ হিচাবে ঢোলৰ জনপ্ৰিয়তা

সৰ্বাধিক। প্ৰাচীন কালৰে পৰা এক লোকবাদ্য হিচাবে অসমত ঢোলৰ ব্যৱহাৰ হৈ আহিছে। "অসমৰ থলুৱা লোকবাদ্য ঢোলঃ এক সমীক্ষা" শীৰ্ষক প্ৰৱন্ধত সঞ্জীৱ কুমাৰ দত্তই এই থলুৱা লোকবাদ্য বিধৰ বিষয়ে এক বিশ্লেষণ দাঙি ধৰিছে। আলোচ্য প্ৰৱন্ধটিত ঢোলৰ নিৰ্মাণ শৈলী আৰু ব্যৱহাৰৰ উপলক্ষ্য সমূহকো সামৰি লোৱা হৈছে। অসমৰ সংস্কৃতিৰ অন্যতম পৰিচায়ক হ'ল সাজপাৰ আৰু অলংকাৰ। পৰম্পৰাগতভাৱে অসমীয়া সমাজত প্ৰচলিত হৈ অহা বিভিন্ন সাজপাৰ আৰু অলংকাৰৰ এক বৰ্ণনা দাঙি ধৰা হৈছে অঞ্জুমনি বৰাৰ "পৰম্পৰাগত অসমীয়া সাজপাৰ আৰু অলংকাৰ" প্ৰৱন্ধত। প্ৰৱন্ধটিয়ে পাশ্চাত্য সংস্কৃতি আৰু কাষৰীয়া ৰাজ্যৰ প্ৰভাৱে অনা পৰিৱৰ্তনকো প্ৰকাশ কৰিছে।

"গংগামোহন মিলিৰ কবিতাত অসমীয়া গ্ৰাম্য জীৱনৰ প্ৰতিচ্ছবি" শীৰ্ষক প্ৰৱন্ধত নৱনীতা বৰাই কবি গৰাকীৰ কবিতাত নৈ পৰীয়া চহা জীৱনৰ সহজ সৰল ৰূপটোৱে কেনেদৰে ভুমুকি মাৰিছে তাৰেই এক কাব্যিক বিশ্লেষণ আগবঢ়াইছে। অন্যহাতে তীৰ্থ বৰুৱাৰ প্ৰৱন্ধ "আহোম যুগৰ অৰ্থনৈতিক বুনিয়াদ আৰু বৃত্তিমূলক খেলসমূহ"ত সেই যুগৰ অৰ্থনৈতিক দিশটোৰ অৱলোকন কৰা হৈছে। আহোম যুগৰ বিভিন্ন বৃত্তিধাৰী লোকসকলৰ বিৱৰণ প্ৰৱন্ধটিৰ মূল সম্পদ। উপেন চন্দ্ৰ দাসৰ প্ৰৱন্ধ "দ্ৰৌপদী আৰু অসমীয়া সাহিত্যৰ দুটা গল্প"ত মহাভাৰতৰ কালজয়ী চৰিত্ৰ দ্ৰোপদ নন্দিনী দ্ৰৌপদীৰ ওপৰত আধাৰিত দুটা গল্পৰ এক বিশ্লেষণ দাঙি ধৰা হৈছে। লেখকে মহাভাৰতৰ নাৰী চৰিত্ৰটিক আধুনিক চিন্তাৰে সমৃদ্ধ আজিৰ নাৰীৰ ৰূপত প্ৰতিষ্ঠা কৰি, সেই নাৰী চৰিত্ৰৰ হৃদয়ানুভূতিক সৰ্বকালীন আৰু সাৰ্বজনীন আবেদন প্ৰদান কৰাত গল্পকাৰ সফল হৈছে বুলি বৰ্ণনা কৰিছে।

ৰাজনীতিত পুৰুষ-নাৰী নিৰ্বিশেষে সকলোৰে অংশ গ্ৰহণ নিতান্তই প্ৰয়োজনীয়। কিন্তু বাস্তৱক্ষেত্ৰত পুৰুষৰ তুলনাত নাৰী সকলক সক্ৰিয়ভাৱে ৰাজনৈতিক ক্ষেত্ৰখনত জড়িত হোৱা দেখা নাযায়। বসন্ত সন্দিকৈৰ তথ্য সমৃদ্ধ প্ৰৱন্ধ 'অসমৰ ৰাজনীতিত নাৰী'য়ে ৰাজনৈতিক ক্ষেত্ৰত জড়িত হোৱাৰ ক্ষেত্ৰত অসমৰ নাৰী সমাজে সন্মুখীন হোৱা সমস্যা তথা প্ৰত্যাহ্বান

সমূহকো প্ৰকাশিত কৰিছে।

কবিসকলৰ দৃষ্টিভংগীত অসমৰ জনজাতি সকলৰ সমাজ ব্যৱস্থা কেনেদৰে প্ৰতিফলিত হৈছে, সেই সম্পৰ্কে আলোকপাত কৰা হৈছে সান্ত্বনা দত্তৰ প্ৰৱন্ধ 'সাম্প্ৰতিক অসমীয়া কবিতাত জনজাতীয় সমাজৰ চিত্ৰণ এক সমাজতাত্বিক অধ্যয়ন'ত। অসমৰ মুঠ পাঁচটা জনজাতিৰ জীৱন আৰু সমাজক প্ৰতিফলিত কৰা পাঁচটা বিশেষ অসমীয়া কবিতাৰ আধাৰত এই গৱেষণাধৰ্মী প্ৰৱন্ধটি যুগুত কৰা হৈছে।

উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ দ্বাৰা পৰিচালিত আজিৰ যুগত উচ্চ শিক্ষাও ইয়াৰ মেৰপেছত বন্দী। ফলশ্ৰুতিত ডিগ্ৰীকেন্দ্ৰিক ভাৰতৰ উচ্চ শিক্ষালৈ আহিছে ভিন্ন প্ৰত্যাহ্বান। মীৰাবালা বৰাৰ প্ৰৱন্ধটিত ইয়াকেই আলোকপাত কৰিব বিচৰা হৈছে।

বিদ্যাধৰ বৰুৱাদেৱৰ আলোচ্য প্ৰৱন্ধটিত বিকল্প দ্ৰব্যৰ প্ৰয়োভৰ আৰু চাহিদাৰ তাৰতম্যতাৰ বাবে দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ বজাৰকৰণৰ ক্ষেত্ৰত উৎপাদক কোম্পানীসমূহে যি প্ৰতিযোগিতাৰ সন্মুখীন হব লগা হৈছে, সেই ক্ষেত্ৰত তেওঁলোকৰ কৌশল পূৰ্ণ ভুমিকাৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰা হৈছে। হেমন্ত শৰ্মা তামুলীয়ে অৰুপা পতংগীয়া কলিতাৰ মৰিয়ম অষ্টিন অথবা হীৰা বৰুৱা গ্ৰন্থখনিত প্ৰতিভাত নাৰী চৰিত্ৰ সমূহৰ এক সুন্দৰ বিশ্লেষণ আগবঢাইছে। প্ৰৱন্ধটিত লেখকে প্ৰতিটো চৰিত্ৰৰ বৈশিষ্ট্যৰাজি দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে। মিনতি গগৈৰ প্ৰৱন্ধ 'Importance of Institutional Credit for Agricultural Development in Assam'ৰ জৰিয়তে অসমৰ কৃষি জগতৰ উন্নতিত ঋণ ব্যৱস্থাৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰিছে। ননী ৰাজখোৱাই তেখেতৰ প্ৰৱন্ধত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা-অভিযানে অসমত মাধ্যমিক শিক্ষাৰ সাৰ্বজনীন কৰণত পালন কৰা ভুমিকাৰ বিষয়ে আলোচনা কৰিছে। প্ৰৱন্ধটিত মাধ্যমিক শিক্ষাৰ জটিলতা সমস্যা আৰু গুণগত মান বিকাশৰ সম্ভাৱনীয়তাক আলোকপাত কৰা হৈছে।

অসমৰ দ্বিতীয় সৰ্ববৃহৎ জনজাতি নৈ পৰীয়া মিছিং সমাজৰ মহিলাসকলৰ সামাজিক আৰু ৰাজনৈতিক দিশটোৰ এখন চিত্ৰ দাঙি ধৰিছে

মনোৰীমা ভাগৱতীয়ে তেখেতৰ প্ৰৱন্ধ "Social and Political Status of Mishing women"ত। 'Teachers and Community Involvement' প্ৰৱন্ধটিত প্ৰাঞ্জল প্ৰতিম বৰাই জাতিৰ মেৰুদণ্ড স্বৰূপ শিক্ষক সকলৰ সমুদায় তথা সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ কথাকে প্ৰকাশ কৰিছে। শৈক্ষিক দিশত অনগ্ৰসৰ চাহ জনজাতি সমাজত ছোৱালীৰ বাবে শিক্ষা এক ডাঙৰ প্ৰত্যাহ্বান। ৰাজীৱ গগৈয়ে 'Challenges of Girls' Primary Education in Tea Garden Area: A Study' শীৰ্ষক গৱেষণাধৰ্মী প্ৰৱন্ধটিৰ জৰিয়তে চাহ জনজাতি অধ্যুষিত এলেকাত ছোৱালীৰ শিক্ষাৰ বৰ্তমান অৱস্থা আৰু প্ৰত্যাহবান সমূহৰ তথ্য সমৃদ্ধ ব্যাখ্যা আগবঢ়াইছে। আকাশজ্যোতি শইকীয়াই অসমৰ মহাবিদ্যালয় সমূহত ইংৰাজী ভাষা শিক্ষণত তথ্য প্ৰযুক্তিৰ ব্যৱহাৰ যোগ্যতাৰ বিষয়ে তেওঁৰ প্ৰৱন্ধটিৰ জৰিয়তে ব্যাখ্যা দাঙি ধৰিছে। মুঠ কুৰিটা প্ৰৱন্ধৰ এই সংকলনটিৰ প্ৰতিটো প্ৰৱন্ধই পাঠকক নতুন তথ্যৰ সন্ধান দিব বুলি আমাৰ বিশ্বাস।

'চিন্তা বীথিকা' এই প্ৰৱন্ধ সংকলনটি প্ৰকাশৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈ, শিক্ষক গোটৰ সভাপতি/সম্পাদক আৰু সহকৰ্মী সদস্য সকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিলো। সম্পাদনা সমিতিৰ আটাইকেইজন সহযোগীৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰিলো। অতিশয় কৰ্মব্যস্ততাৰ মাজতো আমাৰ প্ৰতি সদিচ্ছা প্ৰকাশ কৰি লেখনীৰে সংকলনটি সমৃদ্ধ কৰা প্ৰতিগৰাকী লেখক তথা আমাৰ সহকৰ্মী সকলৰ প্ৰতি কৃতজ্ঞ হৈ ৰ'লো। পৰিশেষত সংকলনটিৰ মূদ্ৰণৰ দায়িত্ব বহন কৰা শিৱসাগৰৰ বিনায়ক অফ্‌চেটৰ স্বত্বাধিকাৰীসহ কৰ্মীবৃন্দক ধন্যবাদ জনাই আমাৰ অজ্ঞাতে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰিলো।

জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় -সান্ত্বনা দত্ত

৩০ নৱেম্বৰ, ২০১৬ চন

# সূচীপত্ৰ


- থলুৱা জ্ঞানৰ গুৰুত্ব আৰু অসমৰ জীৱ বৈচিত্ৰ
  ✍ ড° মানজিৎ গগৈ/১১
- গ্ৰহণযোগ্যতাৰ প্ৰসঙ্গত নিয়মিত শিক্ষা আৰু দূৰৱৰ্তী শিক্ষা
  ✍ ড° বলীন হাজৰিকা/১৭
- কালিদাসকালীন সমাজত শিক্ষা, শিক্ষক, শিক্ষা প্ৰতিষ্ঠান ইত্যাদি
  ✍ ৰাজীৱ শৰ্মা/২৪
- বিশ্বায়নৰ ধামখুমিয়াত অসমীয়া মানুহৰ খাদ্যাভ্যাস
  ✍ কুণ্ডিল কুমাৰ মুদৈ/৩২
- অসমৰ থলুৱা লোকবাদ্য ঢোল ঃ এক সমীক্ষা
  ✍ সঞ্জীৱ কুমাৰ দত্ত/৩৮
- পৰম্পৰাগত অসমীয়া সাজপাৰ আৰু অলংকাৰ
  ✍ অঞ্জুমণি বড়া/৪৯
- গংগামোহন মিলিৰ কবিতাত অসমীয়া গ্ৰাম্য জীৱনৰ প্ৰতিচ্ছবি
  ✍ নৱনীতা বৰা/৫৮
- আহোম যুগৰ অৰ্থনৈতিক বুনিয়াদ আৰু বৃত্তিমূলক খেলসমূহ
  ✍ তীৰ্থ বৰুৱা/৬৯
- অসমৰ ৰাজনীতিত নাৰী ✍ বসন্ত সন্দিকৈ/৭৬
- দ্ৰৌপদী আৰু অসমীয়া সাহিত্যৰ দুটা গল্প
  ✍ উপেন চন্দ্ৰ দাস/৮২
- অসমৰ প্ৰাথমিক শিক্ষা, ইতিহাস, সম্ভাৱনা, সংশয় ইত্যাদি
  ✍ জীৱমণি নাথ/৮৯
- সাম্প্ৰতিক অসমীয়া কবিতাত জনজাতীয় সমাজৰ চিত্ৰণ ঃ এক সমাজতাত্বিক বিশ্লেষণ ✍ সান্ত্বনা দত্ত/৯৫
- **Liberalisation Privatisation and Globalisation of Higher Education in India**

✍ Mira Bala Borah/১০৭

➪ **Consumer Behaviour on FMCG's : A Case study on household cares in the rural area of Sivasagar District**

✍ Bidyadhar Baruah/১১৭

➪ **"Quality concern of Secondary education and Role of Rashtriya Madhyamik Shiksha Abhiyan in Universalisation of Secondary Education in Assam"**

✍ Noni Rajkhowa/১২৪

➪ **Feminist Character In Mariam Austin Othoba Hira Barua**

✍ Hemanta Sarmah Tamuly/১৩৫

➪ **Social and Political Status of Mishing Women**

✍ Manurima Bhagwati/১৪১

➪ **Importance of Institutional Credit for Agricultural Development in Assam**

✍ Minati Gogoi/১৪৮

➪ **Teachers and Community Involvement**

✍ Pranjal Protim Borah/১৫২

➪ **Challenges of Girl's Primary Education in Tea Garden Areas: A Study**

✍ Rajiv Gogoi/১৫৬

➪ **Utility of Information and Communication Technology (ICT) in English Language Teaching (ELT) at the Undergraduate Level in Assam**

✍ Akashjyoti Saikia/১৬৩

➪ **LIST OF CONTRIBUTORS/১৭১**